**অসম চৰকাৰ**

**উপায়ুক্তৰ কাৰ্য্যালয় ::::::::::::::::::::: বঙাইগাঁও**

**অধিসূচনা**

অসম চৰকাৰে সদায় সুশাসন ব্যৱস্থাৰ ওপৰত গুৰুত্ব প্ৰদান কৰি আহিছে। সুশাসন ব্যৱস্থাই দায়িত্বশীল, নিকা, প্ৰতিক্ৰিয়াশীল আৰু দায়বদ্ধ শাসনৰ পোষকতা কৰে। দেখা যায় যে এই কাৰ্য্যালয়ত বিভিন্ন বিভাগ, কাৰ্য্যালয় আৰু ৰাইজৰ সেৱাৰ লগত জড়িত বিভিন্ন ওজৰ-আপত্তি, স্মাৰকপত্ৰ, অভিযোগ ইত্যাদি আহে। যথেষ্ট সংখ্যক ৰাইজে আপত্তিৰ নিষ্পত্তি আৰু নিৰাময় বিচাৰি এই কাৰ্য্যলয়ত ভিৰ কৰে। এইটোও দৃষ্টিগোচৰ হৈছে যে বহুসংখ্যক আপত্তি / অভিযোগ বিভিন্ন বিভাগৰ লগত সম্পৰ্কিত যাৰ তাৎক্ষনিক সমাধান সম্ভৱ নহয় আৰু যাক নিৰাময়ৰ বাবে সংশ্লিষ্ট বিভাগলৈ পঠিয়াবলগীয়া হয়। এইটোও দেখা গৈছে যে জনতাই চৰকাৰী বিষয়াসকলক লগ ধৰিবলৈ বহুসময় অপেক্ষা কৰিবলগীয়া হয় যিহেতু বিষয়াসকলে ক্ষেত্ৰ পৰিদৰ্শন বা অন্যান্য দৰকাৰী চৰকাৰী কামত ব্যস্ত হৈ থাকে।

সেয়েহে ৰাইজৰ ওজৰ-আপত্তি, অভিযোগ সমূহ নিষ্পত্তিৰ বাবে প্ৰণালীবদ্ধ আৰু সময়নিৰ্দ্ধাৰিত এক আনুষ্ঠানিক ব্যৱস্থাপনা অৱলম্বন কৰাটো অতি প্ৰয়োজনীয়।

(ক) **"ৰাইজৰ চ'ৰা"** নামাকৰণেৰে **"ৰাইজৰ আপত্তি অভিযোগ নিষ্পত্তি দিৱস"** হিচাবে **বঙাইগাঁও উপায়ুক্ত কাৰ্য্যালয়ৰ সভা গৃহত প্ৰতিমাহৰ ২য় আৰু ৪ৰ্থ মঙ্গলবাৰে দিনৰ ১০:৩০ বজাৰ পৰা** এক ব্যৱস্থা প্ৰবৰ্তন কৰা হৈছে। যদি মঙ্গলবাৰৰ দিনটো বন্ধ হয় তেন্তে তাৰ পিচদিনা ৰাইজৰ অভাব অভিযোগ দিৱস অনুষ্ঠিত হব।

(খ) উপায়ুক্ত আৰু মহকুমাধিপতি কাৰ্য্যালয়ৰ সমূহ বিষয়া (**জিলা উন্নয়ন আয়ুক্ত,** অতিৰিক্ত **উপায়ুক্ত, মহকুমাধিপতি, ৰাজহ চক্ৰ বিষয়া** আৰু অন্য বিভাগৰ মুৰব্বী বিষয়াসকল), **"ৰাইজৰ চ'ৰা"**ত উপস্থিত থাকিব। যদি কিবা কাৰণত কোনো সংশ্লিষ্ট বিষয়া উপস্থিত থাকিব নোৱাৰে; পৰবৰ্ত্তী জ্যেষ্ঠ বিষয়াজন উপস্থিত থাকিব। ইচ্ছাকৃত অনুপস্থিতি গুৰুত্ব সহকাৰে লোৱা হব।

(গ) উপায়ুক্ত কাৰ্য্যালয়ৰ "ৰাইজৰ অভাব অভিযোগ কোষ" টোৱে মূখ্য শাখা (Nodal Branch) ৰ অনুশীলনৰ যাবতীয় কাম-কাজ চোৱাচিতা কৰিব । **"ৰাইজৰ অভাব অভিযোগ কোষ"**ত নিয়োজিত বিষয়া-কৰ্মচাৰীসকল হ'ল-

১) শ্ৰীমতী চন্দ্ৰা দেৱী, অ.অ.সে. জিলা উন্নয়ন আয়ুক্ত, বঙাইগাঁও - ভাৰপ্ৰাপ্ত বিষয়া।

২) শ্ৰী পাৰ্থপ্ৰতীম খনিকৰ, অ.অ.সে. সহকাৰী আয়ুক্ত, বঙাইগাঁও- সহযোগী বিষয়া।

৩) শ্ৰীমতী বাসবী ঠাকুৰীয়া, অ.অ.সে. নিৰ্বাচনী বিষয়া, বঙাইগাঁও- সহযোগী বিষয়া।

৪) শ্ৰীমতী মুনমী শইকীয়া, অ.অ.সে. সহকাৰী আয়ুক্ত, বঙাইগাঁও- সহযোগী বিষয়া।

৫) শ্ৰী মাচুম ইউচুফ আহমেদ, অ.অ.সে. সহকাৰী আয়ুক্ত, বঙাইগাঁও- সহযোগী বিষয়া।

৬) শ্ৰী ডিম্বেশ্বৰ দাস, ৰাজহ চিৰস্তাদাৰ (ভাৰপ্ৰাপ্ত) উপায়ুক্ত কাৰ্য্যালয়।

৭) শ্ৰী অকন চন্দ্ৰ ৰাভা, জেষ্ঠ সহায়ক, উপায়ুক্ত কাৰ্য্যালয়।

৮) শ্ৰী প্ৰবীণ কুমাৰ ৰাভা, কণিষ্ঠ সহায়ক, উপায়ুক্ত কাৰ্য্যালয়।

৯) শ্ৰী প্ৰাঞ্জল দাস, কণিষ্ঠ সহায়ক, উপায়ুক্ত কাৰ্য্যালয়।

১০) শ্ৰী ভাস্কৰজ্যোতি ডেকা, কণিষ্ঠ সহায়ক, উপায়ুক্ত কাৰ্য্যালয়।

১১) শ্ৰী ৰেবতী ৰায়, জাৰিকাৰক,উপায়ুক্ত কাৰ্য্যালয়।

**"ৰাইজৰ আপত্তি অভিযোগ নিষ্পত্তি দিৱস"**ৰ দিনাখন আপত্তিকাৰী সকলে ৰাতিপুৱা ৯:৩০ বজাৰ পৰা ১০:৩০ বজালৈ তেওঁলোকৰ আপত্তি সমূহ পঞ্জীয়ন কৰিব। ১০:৩০ বজাৰপৰা এই আপত্তিসমূহ **"অভাব অভিযোগ শিবিৰ"** ত উপস্থাপন হব। সম্ভৱ হলে তাৎক্ষণিকভাবে আপত্তি সমূহ নিষ্পত্তি কৰা হব অন্যথা সংশ্লিষ্ট বিভাগীয় কাৰ্য্যালয় বা বিষয়াই বিষয়টো তদন্ত কৰি আপত্তিকাৰীক কাৰ্য্যব্যৱস্থাৰ বিষয়ে জনাব। **"ৰাইজৰ অভাব অভিযোগ কোষে"** আপত্তি সমূহৰ যথাযথ নথি তত্বাৱধান কৰিব।

এই ব্যৱস্থাটোৱে যে অকল সুশাসন, প্ৰতিক্ৰিয়াশীল, দায়িত্বশীল আৰু দায়বদ্ধ প্ৰশাসনে নিশ্চিত কৰিব এনে নহয়, ই জিলাখনৰ সকলো বিভাগ আৰু বিষয়াৰ কাৰ্য্যাৱলীৰ এক অবিৰত আৰু প্ৰকৃত পৰ্য্যালোচনা ও হব।

**"ৰাইজৰ আপত্তি অভিযোগ নিষ্পত্তি দিৱস"** অহা **১০ ছেপ্তেম্বৰ ২০১৯ ইং** তাৰিখৰ পৰা আৰম্ভ হব।

উপায়ুক্ত
বঙাইগাঁও

**স্মাৰক নং-বি,পি,ই,-১৬/ ২০১৪/১৭৪-৭৫** **দিনাংক বঙাইগাঁও, ৩১ আগষ্ট, ২০১৯ইং**

***প্ৰতিলিপি-সকলোৰে জ্ঞাতাৰ্থে ও কাৰ্য্যকৰীকৰণৰ বাবেঃ-***

১) মূখ্য সচিব অসম চৰকাৰ, দিছপুৰ, গুৱাহাটি-৬
২) মাননীয় মূখ্যমন্ত্ৰী প্ৰধান সচিব, অসম চৰকাৰ, দিছপুৰ, গুৱাহাটি-৬
৩) বঙাইগাঁও জিলাৰ মাননীয় ভাৰপ্ৰাপ্ত মন্ত্ৰী মহোদয়।
৪) মাননীয় সাংসদ ৬-বৰপেটা সংসদীয় সমষ্টি।
৫) মাননীয় বিধায়ক সকল, ৩২নং বঙাইগাঁও, ৩৪নং উত্তৰ অভয়াপুৰী আৰু ৩৫ নং দক্ষিণ অভয়াপুৰী(অনুঃসূচীত জাতি) বিধান সভা সমষ্টি।
৬) মাননীয় আয়ুক্ত, নামনি অসম সংমণ্ডল।
৭) সভাপতি বঙাইগাঁও জিলা পৰিষদ।
৮) জিলা উন্নয়ন আয়ুক্ত, বঙাইগাঁও।
৯) মূখ্য কাৰ্য্যবাহী বিষয়া, বঙাইগাঁও জিলা পৰিষদ।
১০) আৰক্ষী অধীক্ষক, বঙাইগাঁও।
১১) অতিৰিক্ত উপায়ুক্ত (সকলো), বঙাইগাঁও।
১২) মহকুমাধিপতি, উত্তৰ শালমাৰা, অভয়াপুৰী।
১৩) সভাপতি, বঙাইগাঁও পৌৰসভা।
১৪) জিলা পৰিষদৰ সদস্য, আঞ্চলিক পৰিষদৰ সদস্য, গাঁও পঞ্চায়তৰ সভাপতি (সকলো)
১৫) চক্ৰ বিষয়া, বঙাইগাঁও, বিজনী, সৃজনগ্ৰাম, বইটামাৰী আৰু ডাংতল ৰাজহ চক্ৰ।
১৬) সহকাৰী আয়ুক্ত (সকলো) বঙাইগাঁও।
১৭) জিলা তথ্য বিজ্ঞান কেন্দ্ৰ বিষয়া বঙাইগাঁও,
১৮) বঙাইগাঁও জিলাৰ সকলো বিভাগৰ মূৰব্বী বিষয়া।
১৯) জিলা তথ্য আৰু জনসংযোগ বিষয়া, বঙাইগাঁওৰ জ্ঞাতাৰ্থে। এই নিৰ্দেশৰ প্ৰতিলিপি ব্যাপকভাবে প্ৰচাৰৰ ব্যৱস্থা গ্ৰহণ কৰিব।

উপায়ুক্ত
বঙাইগাঁও